**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 13-06-2025 **Time :** 0900Hrs.

## HEADLINES

১। আহমেদাবাদৰ বিমান দুৰ্ঘটনাত ২৪১গৰাকী আৰোহীৰ মৃত্যু নিশ্চিত। দৈবক্ৰমে প্ৰাণৰক্ষা এজনৰ।

২। ৰাজ্যসভাৰ অসমৰ দুয়োখন আসনত এন ডি এৰ প্ৰাৰ্থীৰ বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয় লাভ।

৩। পৰিৱৰ্তিত জলবায়ু আৰু ভৌগোলিক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাবৰ্ষৰ দিন সলনি হ'ব বুলি শিক্ষামন্ত্ৰীৰ ঘোষণা।

৪। শ্ৰীলংকাৰ কলম্বোত মহাপুৰুষ মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱত, সিংহলী ভাষাত বৰগীত পৰিৱেশন।

আৰু

৫। বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ দ্বিতীয় দিনৰ খেলৰ সামৰণিত, অষ্ট্ৰেলিয়াৰ ৮উইকেটত ১৪৪ ৰান সংগ্ৰহ।

oooooo

এয়াৰ ইণ্ডিয়াই কালি আহমেদাবাদ বিমান বন্দৰৰ পৰা লণ্ডন অভিমুখে উৰা মৰাৰ ঠিক পাছতেই দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ২৪১ গৰাকী আৰোহীৰ মৃত্যু হোৱা বুলি নিশ্চিত কৰিছে। বিশ্বাস কুমাৰ ৰমেশ নামৰ এজন লোক দুৰ্ঘটনাত দৈৱক্ৰমে ৰক্ষা পৰিছে। বয়িং 787-8 শ্ৰেণীৰ বিমানখনত ২৪২ গৰাকী যাত্ৰী আৰু চালক দলৰ সদস্য আছিল। বিমানখনত ১৬৯ গৰাকী ভাৰতীয়, ৫৩ গৰাকী ব্ৰিটিছ, এগৰাকী কানাডিয়ান আৰু সাতগৰাকী পৰ্তুগীজ নাগৰিক আছিল। আন ১২ গৰাকী লোকৰ ভিতৰত দুগৰাকী পাইলট আৰু চালক দলৰ ১০ জন সদস্য আছিল। দুৰ্ঘটনাগ্ৰস্ত স্থানৰো কেইবাগৰাকীও লোক নিহত হোৱা বুলি জানিব পৰা গৈছে। গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপি নেতা বিজয় ৰূপানিয়ে দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছে। বিমান দুৰ্ঘটনাটোত বিমানখনত পৰিচাৰিকা হিচাপে কৰ্মৰত মণিপুৰৰ দুগৰাকী যুৱতীয়েও প্ৰাণ হেৰুৱাইছে। নিহতসকলক চিনাক্তকৰণৰ বাবে দুৰ্ঘটনাস্থলীত ডি এন এ টেষ্টৰ ব্যৱস্থা কৰা হৈছে।

বিমানখনৰ পাইলটগৰাকীয়ে দিনৰ ১ বাজি ৩৯ মিনিটত উৰা মৰাৰ ঠিক পাছতেই পূৰ্ণ জৰুৰী অৱস্থা ঘোষণা কৰি বিপৰ্যয়ৰ বাৰ্তা প্ৰেৰণ কৰিছিল।

বিমান দুৰ্ঘটনা তদন্ত সংস্থা এ এ আই বিয়ে আহমেদাবাদ বিমান দুৰ্ঘটনাৰ আনুষ্ঠানিক তদন্ত আৰম্ভ কৰিছে। আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থাই ধাৰ্য কৰা আন্তঃৰাষ্ট্ৰীয় নিয়ম অনুযায়ী দুৰ্ঘটনাৰ তদন্ত কৰা হ'ব বুলি অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে জানিবলৈ দিছে।

-বাইট-

টাটা গোটৰ অধ্যক্ষ এম চন্দ্ৰশেখৰণে এই শোকাৱহ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ পৰিয়ালবৰ্গলৈ কোম্পানীয়ে ১ কোটি টকাকৈ সাহায্য আগবঢ়াব বুলি ঘোষণা কৰিছে। তেওঁ লগতে টাটা গোষ্ঠীৰ এই দুৰ্ঘটনাত আহত হোৱা লোকসকলৰ চিকিৎসা ব্যয় বহন কৰিব আৰু তেওঁলোকে যাতে পূৰ্ণ পৰিচৰ্যা লাভ কৰে সেয়া

সুনিশ্চিত কৰিব। টাটা গোটে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱা বি জে চিকিৎসা মহাবিদ্যালয়ত এটা নতুন হোষ্টেল নিৰ্মাণত সহায় কৰিব বুলি প্ৰকাশ কৰিছে।

০০০০০০০

অসমৰ ৰাজ্যসভাৰ দুয়োখন আসনতে এন ডি এৰ প্ৰাৰ্থীয়ে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰিছে। ৰাজ্যসভাৰ খালী হোৱা আসন দুখনৰ বিপৰীতে অগপৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ কনাড পুৰকায়স্থই মনোনয়ন দাখিল কৰিছিল। এই আসন দুখনৰ বাবে বিৰোধীয়ে কোনো প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা দুয়োগৰাকী প্ৰাৰ্থীকে জয়ী হোৱা বুলি ৰাজ্যসভাৰ নিৰ্বাচনী বিষয়াই ঘোষণা কৰে। অসম বিধানসভাৰ প্ৰাংগণত থকা ৰাজ্যসভা নিৰ্বাচন পৰিচালন কাৰ্যালয়ৰ পৰা দুয়োগৰাকী প্ৰাৰ্থীয়ে কালি আনুষ্ঠানিকভাৱে জয়ৰ প্ৰমাণ পত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে কাইলৈ ১৪ জুনত বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ সাংসদ মিছনৰঞ্জন দাসৰ কাৰ্য্যকাল ওকলি যাব। এই সন্দৰ্ভত বিতং তথ্যৰ সৈতে আমাৰ সংবাদদাতা- হেমন্ত বৰা।

-বাইট-

০০০০০০০

ৰাজ্যৰ ভৌগোলিক পৰিৱেশ আৰু জলবায়ুৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিভাগে শিক্ষাবৰ্ষৰ দিন সলনি কৰিবলৈ চিন্তা-চৰ্চা কৰিছে বুলি শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰিছে। পূৰ্বে অসমত জানুৱাৰীত আৰম্ভ হোৱা শিক্ষাবৰ্ষ কেন্দ্ৰীয় শিক্ষা ব’ৰ্ডৰ নীতি অনুযায়ী এপ্ৰিলৰ পৰা আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও শেহতীয়াকৈ ৰাজ্যখনৰ ভৌগোলিক পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ পূৰ্বৰ শিক্ষাবৰ্ষ আৰম্ভ কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ইতিমধ্যে শিক্ষা বিভাগে ৰাজ্যৰ শিক্ষাবিদসকলক লৈ এখন কমিটী গঠনৰ কাৰণে আগবাঢ়িছে। এই কমিটীখনে দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত পৰৱৰ্তী কাৰ্যপন্থা নিৰ্ধাৰণ কৰা হ’ব।

০০০০০০০

শ্ৰীলংকাৰ কলম্বোত ভাৰতীয় উচ্চায়োগৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ কালি প্ৰথমবাৰৰ বাবে উদযাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে পালন কৰা এই অনুষ্ঠানত মহাপুৰুষজনাৰ এটি বৰগীত সিংহলী ভাষালৈ অনুবাদ কৰি পৰিৱেশন কৰা হয়। কেন্দ্ৰটোৰ পৰিচালক আৰু প্ৰথম সঞ্চালক, অধ্যাপক অংকুৰণ দত্তৰ উদ্যোগ আৰু পৰিকল্পনাত অধ্যাপক উপুল ৰঞ্জিতে হেৱাৰিটানগমগেয়ে সিংহলী ভাষালৈ অনুবাদ কৰা ‘উঠৰে উঠ বাপু গোপাল হে’ বৰগীতটো অচিথ আট্টাপাট্টুৱে পৰিৱেশন কৰে। আবিৰ্ভাৱ মহোৎসৱৰ উপলক্ষে শ্ৰী জয়বৰ্ধনপুৰা বিশ্ববিদ্যালয়ৰ অধ্যাপক গামিনী ৰাণাসিংহই অসমীয়া সমাজৰ আধ্যাত্মিকতাৰ কেন্দ্ৰ হিচাপে নামঘৰ আৰু ইয়াৰ স্থপতি শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ অৱদানৰ বিষয়ে ভাষণ দিয়ে। এই অনুষ্ঠানত শ্ৰীলংকাৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ শৈক্ষিক বিষয়া সঞ্জীৱনী বিদ্যাৰত্নই মাজুলীৰ সত্ৰ সংস্কৃতিৰ বিষয়ে তেওঁৰ অভিজ্ঞতা ব্যক্ত কৰে। উল্লেখযোগ্য যে শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শ্ৰীলংকা ভ্ৰমণকালত মহাপুৰুষ দুজনাৰ সিংহলী ভাষাত বাণীবদ্ধ কৰা দুটি বৰগীত

অধ্যাপক অংকুৰণ দত্তই প্ৰদৰ্শন কৰিছিল। বিগত ৫ শতিকাত মহাপুৰুষ মাধৱদেৱৰ প্ৰথমটো বৰগীত এই পদক্ষেপৰ জৰিয়তে কোনো বিদেশী ভাষালৈ অনুবাদ তথা পৰিৱেশন কৰা হয়।

০০০০০০০

২০২৩ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা ধ্ৰুপদী নৃত্যশিল্পী ড° সোনাল মানসিঙক কালি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰদান কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পদ্ম বিভূষণ সন্মানেৰে সন্মানিত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন নৃত্যশিল্পীগৰাকীক এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰদান কৰে। বঁটা প্ৰদান কৰি দিয়া ভাষণত ৰাজ্যপাল শ্ৰী আচাৰ্যই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক আধ্যাত্মিক আলোকদ্ৰষ্টা আৰু সাংস্কৃতিক সংস্কাৰক বুলি উল্লেখ কৰি তেওঁৰ মহানকৰ্মই ভৌগোলিক সীমা অতিক্ৰম কৰি ৰাষ্ট্ৰীয় একতাৰ নিৰ্দৰ্শন হিচাপে পৰিগণিত হৈছিল বুলি উল্লেখ কৰে। অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগতে সামাজিক সমতা স্থাপন আৰু কলা, সংগীত, নাট তথা দৰ্শনেৰে ৰাজ্যখনৰ সাংস্কৃতিক পৰিচয় গঢ় দিয়াত মহাপুৰুষজনাই উল্লেখনীয় ভূমিকা লৈছিল বুলি শ্ৰী আচাৰ্যই উল্লেখ কৰে। অসম চৰকাৰে এই বঁটা প্ৰদানৰ বাবে গ্ৰহণ কৰা এই পদক্ষেপক তেওঁ প্ৰশংসা কৰে। এই বঁটা ড° সোনাল মানসিঙৰ ভাৰতীয় ঐতিহ্যৰ সংৰক্ষণৰ প্ৰতি গ্ৰহণ কৰা জীৱনজোৰা প্ৰচেষ্টালৈ আগবঢ়োৱা সন্মান বুলিও ৰাজ্যপালগৰাকীয়ে উল্লেখ কৰে। নতুন প্ৰজন্মক এই গৰাকী শিল্পীৰ কেইবা দশকজোৰা সাধনাৰে অনুপ্ৰাণিত হ'বলৈ তেওঁ আহ্বান জনায়।

এই বঁটা প্ৰদান অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ সাধনা, প্ৰচাৰ আৰু প্ৰসাৰত অগ্ৰণী ভূমিকা লোৱা ড° সোনাল মানসিঙে সামাজিক দায়বদ্ধতাও পালন কৰি আহিছে বুলি উল্লেখ কৰে। এই বঁটা তেওঁৰ অনন্য প্ৰতিভাৰ প্ৰতি প্ৰকৃতি সন্মান আৰু স্বীকৃতি বুলি মন্ত্ৰীগৰাকীয়ে কয়।

বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহিলা সৱলীকৰণ, সামাজিক ন্যায় আৰু পৰিৱেশ সচেতনতাৰে নিদৰ্শন দাঙি ধৰা তথা কলাক অনবদ্য মানলৈ উন্নীত কৰা প্ৰসিদ্ধ নৃত্য শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰি অসমবাসী গৌৰৱান্বিত বুলি মন্তব্য কৰে। অসংখ্য ভাৰতীয়ৰ প্ৰেৰণাৰ স্ৰোতস্বৰূপ তেওঁ জীৱন আৰু নৃত্য সাধনাই সমাজ জীৱনক উদ্ভাসিত কৰি তুলিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। এই অনুষ্ঠানতে ড° শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় আৰু সামাজিক সংস্কাৰ তথা ভক্তিবাদৰ মাধ্যমেৰে সামাজিক আৰু গণতান্ত্ৰিক প্ৰমূল্য প্ৰোথিত কৰাৰ প্ৰচেষ্টাৰ বিষয়েও আলোকপাত কৰে।

বঁটা গ্ৰহণৰ পাছত ড০ সোনাল মানসিঙে শংকৰদেৱ-মাধৱদেৱৰ সৃষ্টিৰাজি সমগ্ৰ ভাৰততে গুঞ্জৰিত হৈ আছে বুলি মন্তব্য কৰে। অসমৰ সংস্কৃতি, আধ্যাত্মিক শক্তি আৰু পৰিৱৰ্তনশীল নৃত্য পৰম্পৰাই তেওঁক প্ৰভূত পৰিমাণ প্ৰভাবিত কৰিছে বুলি নৃত্যশিল্পীগৰাকীয়ে নিজৰ ভাষণত উল্লেখ কৰে। বৰগীত আৰু ওড়িশী-ভৰত নাট্যম নৃত্যৰ সমন্বিত প্ৰদৰ্শনৰ ক্ষেত্ৰত তেওঁৰ বহুতো কৰণীয় পৰিকল্পনা আছে বুলি ড০ মানসিঙে জানিবলৈ দিয়ে। অনুষ্ঠানত পদ্ম ভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামীৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

উল্লেখযোগ্য যে বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তনৰ জৰিয়তে অসমত আধ্যাত্মিক নৱজাগৰণৰ সূচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজী বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ পৰা সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা ব্যক্তিলৈ এই

বঁটা আগবঢ়াই আহিছে। এই বঁটাত নগদ ধনৰ উপৰি এখন প্ৰশংসা পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ আগবঢ়োৱা হয়। ২০০৮ চনৰ পৰা প্ৰতি ৩ বছৰৰ ব্যৱধানত এই বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডৰ অধীনৰ শিৱসাগৰ জিলাৰ ভটিয়াপাৰত থকা এটা ৰীগৰ নিয়মীয়া কাৰ্যকলাপৰ সময়ত কালি এটা অপ্ৰত্যাশিত ঘটনা ঘটি অনিয়ন্ত্ৰিতভাৱে গেছ নিৰ্গমন হয়। অৱশ্যে পৰিস্থিতিৰ প্ৰতি তাৎক্ষণিক সঁহাৰি জনাই ৰীগটোৰ নিয়ন্ত্ৰণ ঘূৰাই অনাৰ লগতে স্বাভাৱিক অৱস্থা অব্যাহত ৰাখিবলৈ তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডে তৎপৰতাৰে প্ৰচেষ্টা গ্ৰহণ কৰে। অগ্নি নিৰ্বাপক বাহিনী আৰু জৰুৰীকালীন সেৱা বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ সন্মিলিত সহযোগিতাৰে পৰিস্থিতি কাৰ্যকৰীভাৱে স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিবলৈ শিৱসাগৰ জিলা প্ৰশাসনেও সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰিছে বুলি এটা প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। ৰীগটোত সংঘটিত গেছ নিৰ্গমনৰ ফলত অগ্নি সংযোগ নহ'বলৈ প্ৰশাসনে ঘটনাস্থলীৰ পৰা ৭০০মিটাৰলৈ কোনো ধৰণৰ জুই ব্যৱহাৰ নকৰিবলৈ ৰাইজক আহ্বান জনাইছে।

০০০০০০০

মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ বাবে ১৫ আগষ্ট আবেদনৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে উদ্বোধন কৰা এই আঁচনিৰ জৰিয়তে গৱেষক শিক্ষাৰ্থীসকলক ২৫ হাজাৰ টকাৰ আৰু দিব্যাংগ গৱেষকসকলক ৪০ হাজাৰ টকাৰ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে আবেদন কৰিবলৈ অসমত থকা চৰকাৰী, ৰাজহুৱা বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানৰ পূৰ্ণকালীন গৱেষক হ'ব লাগিব। ২০২৫ চনত পি এইচ ডিত নামভৰ্তি কৰা শিক্ষাৰ্থীসকলেহে আঁচনিখনৰ সুবিধা লাভ কৰিব। আঁচনিখনে ৰাজ্যৰ শিক্ষা খণ্ডত নতুন যুগৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আশা প্ৰকাশ কৰিছে।

০০০০০০০

বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াই কালি দ্বিতীয় দিনাৰ খেলৰ সামৰণি পৰলৈকে ৮টা উইকেট হেৰুৱাই ১৪৪ ৰান সংগ্ৰহ কৰে। দিনান্তত ষ্টাৰ্কে ১৬ আৰু নাথন লায়ন ১ ৰান কৰি খেলি আছিল।

প্ৰথম ইনিংছত ২১২ ৰানত আউট হোৱাৰ পাছত অষ্ট্ৰেলিয়াই সুন্দৰ বলিং প্ৰদৰ্শনেৰে খেলখনলৈ প্ৰত্যাৱৰ্তন কৰে আৰু প্ৰথম ইনিংছত ৭৪ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছত ইতিমধ্যে ৮টাকৈ উইকেট হেৰুৱাইছে যদিও দক্ষিণ আফ্ৰিকাতকৈ সামগ্ৰিকভাৱে ২১৮ ৰানত আগবাঢ়ি আছে।

ইয়াৰ পূৰ্বে, দক্ষিণ আফ্ৰিকাই কালি ১৩৮ ৰাণত প্ৰথম ইনিংছ সামৰিছে।

০০০০০০০

গুজৰাটৰ আহমেদাবাদত কালি সংঘটিত বিমান দুৰ্ঘটনা, সোণাল মানসিঙক শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান, কনাড পুৰকায়স্থ আৰু বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হোৱাৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ বাতৰিক 'ভয়ংকৰ বিমান দুৰ্ঘটনাত নিহত ২৪১' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰি আটাইকেইখন কাকতৰ প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ পাইছে। **দৈনিক অসম** কাকতে বিজেপিৰ নেতা কনাড পুৰকায়স্থ আৰু অগপৰ জ্যেষ্ঠ নেতা বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হোৱাৰ বাতৰিক বক্স বাতৰি হিচাপে আলোকচিত্ৰ সহকাৰে প্ৰকাশ

কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী, পণ্ডিত, লেখিকা, সমাজ কৰ্মী তথা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ড° সোণাল মানসিঙক কালি ২০২৩ বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদানৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। সমগ্ৰ ৰাজ্যত কালি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ আবিৰ্ভাৱ তিথি পালনৰ বাতৰিক **আমাৰ অসম** কাকতে 'ৰাজ্যৰ চৌদিশে হৰিনামৰ ধ্বনি' শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক **অসমীয়া খবৰ** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে শিৱসাগৰৰ ভটিয়াপাৰাৰ তেলখাদত হোৱা বিস্ফোৰণৰ বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। আদানিক মাটি হস্তান্তৰৰ বিৰোধিতা কৰি পৰ্বতঝোৰাত ধাৰাবাহিক প্ৰতিবাদৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দি আছাম ট্ৰিবিউন** কাকতে ৰাজ্যৰ বিভিন্ন অংশত গ্ৰীষ্ম প্ৰৱাহৰ প্ৰকোপ অব্যাহত থকাৰ বাতৰিক 'Dibrugarh, Jorhat set new record for June temperature' শিৰোনামেৰে প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতে চি বি আইয়ে নেহুৰ প্ৰাণী বিজ্ঞানৰ অধ্যাপক তথা জীৱন বিজ্ঞান বিদ্যালয়ৰ ডীন নিৰ্মলেন্দু সাহা আৰু গুৱাহাটীস্থিত এটা ফাৰ্মৰ স্বত্বাধিকাৰী প্ৰাঞ্জল শৰ্মাক উৎকোচৰ গোচৰত গ্ৰেপ্তাৰ কৰা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক বাতৰি মাজলৈ উভতি যাওঁ।

০০০০০০০

ৰাজ্যত যোৱা কিছুদিন ধৰি গ্ৰীষ্মৰ প্ৰকোপ অব্যাহত আছে। কালি ডিব্ৰুগড়, যোৰহাট, উত্তৰ লখিমপুৰ আৰু ওদালগুৰি জিলাৰ মাজবাটত পাৰাস্তম্ভই ৩৮ ডিগ্ৰী ছেলছিয়াছ অতিক্ৰম কৰে। একেদৰে নগাঁও আৰু কামৰূপ জিলাত পাৰাস্তম্ভই ৩৭ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ অতিক্ৰম কৰে। পাৰাস্তম্ভ বৃদ্ধি পোৱাৰ ফলত জনজীৱন একপ্ৰকাৰ স্থবিৰ হৈ পৰিছে।

আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই  অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে উষ্ম আৰু আদ্ৰ বতৰ থাকিব বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত ৰাজ্যকেইখনৰ সৰ্বাধিক তাপমাত্ৰা স্বাভাৱিকতকৈ ৩ ৰ পৰা ৫ ডিগ্ৰী ছেলছিয়াছ অধিক হ'ব পাৰে বুলি বিভাগে সকিয়াই দিছে। গুৱাহাটীৰ বতৰ আজি আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব।  আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০০০

সমাপ্ত